# অসম বিধান সভা অধিৱেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ০৬/০২/২০১৮ মঙলবাৰ

---

**মাৰ্শ্বেল ঃ** (অসম বিধান সভাৰ মাননীয় অধ্যক্ষ প্ৰৱেশ কৰা বুলি জনায়)।

**মাননীয় অধ্যক্ষ ঃ** প্ৰথমতে মই সকলোকে সু-প্ৰভাত জনাইছোঁ। আজি আনুষ্ঠানিক ভাৱে আৰম্ভ কৰিবলৈ লোৱা এইখন ২০১৮-১৯ বৰ্ষৰ বাজেট অধিৱেশন। নতুন ইংৰাজী কেলেণ্ডাৰ বছৰত অনুষ্ঠিত বিধান সভা অধিৱেশনৰ প্ৰথম দিনটোত ভাৰতবৰ্ষৰ সাংবিধানিক বিধি মতে আমাৰ ৰাজ্যখনৰ মহামান্য ৰাজ্যপাল ডাঙৰীয়া আহি আমাক সম্বোধন কৰিব। মই এতিয়া মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়া, সদনৰ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া আৰু অসম চৰকাৰৰ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীক , আমাৰ অসম বিধান সভাৰ কাৰ্য্যপৰিচালনা নিয়মৰ অধীনত ১৩ (১) বিধি মৰ্মে ৰাজ্যপাল মহোদয়ক আদৰি আনিবৰ কাৰণে ক্ষন্তেকৰ বাবে সদন কক্ষ ত্যাগ কৰিম। মহামান্য ৰাজ্যপাল ডাঙৰীয়াক আদৰি সদনলৈ অনাৰ নিয়মৰ প্ৰতিলিপি মাননীয় সদস্য-সদস্যা সকলৰ মেজত ৰখা হৈছে। মই আশা কৰোঁ ৰাজ্যপাল ডাঙৰীয়া সদনত উপস্থিত হোৱাৰ লগে লগে আমি সকলোৱে এই নিয়মবোৰ মানি চলিম। এতিয়া মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ প্ৰতিলিপি মাননীয় সদস্য-সদস্যা সকলৰ মাজত বিতৰণ কৰিবলৈ অনুৰোধ কৰিলোঁ।

**(মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণৰ প্ৰতিলিপি সদনত বিতৰণ কৰা হয়)।**

প্ৰায় ৫ মিনিটৰ পাছত মাননীয় অধ্যক্ষ, অসমৰ মুখ্য মন্ত্ৰী ডাঙৰীয়া, অসম বিধান সভাৰ উপাধ্যক্ষ, অসম চৰকাৰৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়া, অসম বিধান সভাৰ প্ৰধান সচিব আৰু মাৰ্শ্বেলে মহামান্য ৰাজ্যপাল মহোদয়ক সাংবিধানিক নিয়ম অনুসৰি সদনলৈ আদৰি আনে আৰু সদনৰ সকলোৱে থিয় হৈ মহামান্য ৰাজ্যপালক আদৰণি জনায়।

**(মহামান্য ৰাজ্যপাল মহোদয় সদনত প্ৰৱেশ কৰি আসন গ্ৰহণ কৰে আৰু তাৰ পাছত ৰাষ্ট্ৰীয় সংগীতেৰে সুৰ সদনত বাজি উঠাত সন্মানীয় ৰাজ্যপাল, অধ্যক্ষকে ধৰি সদনত উপস্থিত সকলোৱে থিয় হয়। ৰাষ্ট্ৰীয় সংগীত শেষ হোৱাৰ পাছত সদনত সকলোৱে পুনৰ আসন গ্ৰহণ কৰে।)**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসমৰ মহামান্য ৰাজ্যপাল মহোদয়ক তেখেতৰ ভাষণ আৰম্ভ কৰিবলৈ মই অনুৰোধ কৰিলোঁ।

( ইয়াৰ পিছতে মহামান্য ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণ পাঠ কৰে )।

His Excellancy

The Governor, Assam : Respected Speaker and Hon'ble Members of the Assam Legislative Assembly. It gives me im-

mense pleasure to address this august House during this Budget Session of the Assam Legislative Assembly. Please accept my greetings on this auspicious occasion.

The days since the last budget session have been quite momentous for our State; we are grateful for all the blessings of peace, harmony, fraternity and promise of a brigher future that this herald for us all. Only the last week, we were witness to the 'Globel Investors' Summit organised by my Government here in Guwahati, with the befitting theme of "Advantage Assam". This has afforded us the opportunity to show case our State before a distinguished line-up of top industrialists, business leaders, experts, diplomats and policy makers, among others, from across the country and around the world. We are thankful to our Hon'ble Prime Minister, the dignitaries and invited guests and all the participants for gracing this event with their kind presence and valuable contribution. The guests had the opportunity to get a glimpse of the promise our State holds as an investment destination, a new engine for economic growth and a gateway to ASEAN. They have left with happy memories and a positive image of Assam as the land of immense potential, possibility and prosperity. Hon'ble Members, I am sure, prespect of significant investment that this holds, will be realised in the near future, My Government will work closely with all to welcome beneficial endeavours in our State. Assam is moving up on the scale of ease of doing business and a message has given way to red carpet here. My Government will do its best to sustain the momentum generated by this summit.

Hon'ble Members, as we know,our Hon'ble Prime Minister has great affection for our State. Only a few months earlier, he had taken time out to be in our midst and dedicate to the people the longest road bridge in India, the Dhola - Sadiya bridge. This important landmark, my government has aptly named the "Dr. Bhupen Hazarika Sammannay Setu". This not only connects physical distances, but also brings closer the people of these remote parts of Assam and the North-East. Dur-

ing the same visit, the Hon'ble Prime Minister laid the foundation stone of the Assam campus of the Indian Council of Agricultural Research. This will go a long way in helping our agricultural economy. Moreover, his emphasis on the Look East Policy has energised my Government into taking initiatives through its newly -created Department of Act East Policy Affairs, to harness the potential and synergy of working with the eastern neighbours of India and the ASEAN countries..

Hon'ble Members, we are also thankful to Hon'ble Shri Pranab Mukherjee, the then President of India, His Holiness the Dalai Lama , dignitaries, artists and the participants for gracing by their presence the highly acclaimed, one-of-its-kind river festival, "Namami Brahmaputra", organised by my Government along the entire course of this mighty lifeline in our State during April, 2017. Along the same lines , the peple of Barak valley celebrated the highly popular " Namami Barak" river festival organised by my Government in November, 2017. Hon'ble Members we are grateful to the Hon'ble President of India Shri Ramnath Kovind ji, invited guests and the participants for gracing this occasion and making it a grand success by their unstinted support and enthusiasm. Such endeavours bring together people from all the walks of life in the spirit of harmony and unity, to celebrate our glorious endowments and common heritage, in addition to showcasing our wonderful State to the world in a unique way.

You will agree, Hon'ble Members, another affirmation of the immense potential of Assam comes from our younger generation's participation and performance in the sporting events of various kinds. The laurels brought to our State by the likes of Miss Ankushita Boro and others are examples of the same; we greatly appreciate their efforts and achievements. My Government is working towards tapping such potential optimally and making Assam the sporting capital of India by facilitating

the sports activities in all possible ways.

সদনত মহামাণ্য ৰাজপালৰ ভাষণ পাঠ চলি থাকে......। (হুলস্থুলীয়া পৰিবেশ)
এই পৰিস্থিতিৰ মাজতে মহামান্য ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ লিখিত ভাষণৰ শেষৰ অংশ পাঠ কৰি সামৰণি মাৰে।
জাতীয় সংগীত বাজে।
(মহামান্য ৰাজ্যপাল ডাঙৰীয়া বিধান সভাৰ পৰা প্ৰস্থান কৰে আৰু তেখেতৰ প্ৰস্থানত বিধান সভাৰ প্ৰধান সচিবে আগবঢ়াই লৈ যায়।)

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১৩ আৰু উপনিয়ম ২ৰ অধীনত মই বিধান সভাক জনাব বিচৰো যে মহামান্য ৰাজ্যপালে তেখেতৰ ভাষণ ইতিমধ্যে সমাপ্ত কৰা হৈছে বুলি ঘোষণা কৰিছো। এতিয়া অসমৰ মহামান্য ৰাজ্যপাল মহোদয়ৰ সন্মানাৰ্থে বিধান সভাৰ বাহিৰত এখন প্ৰীতি চাহমেলৰ আয়োজন কৰা হৈছে। তাত সকলোকে উপস্থিত থাকিবলৈ অনুৰোধ কৰিছোঁ। বিধান সভাৰ কেন্দ্ৰীয় সভা কক্ষ আসনৰ সীমাবদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি চাহ জলপান নিয়াৰিকৈ গ্ৰহণ কৰাৰ বাবে আমি এইবাৰ ৩টা স্থান নিৰ্ধাৰণ কৰিছো, কাৰণ কেন্দ্ৰীয় সভাকক্ষৰ পৰিসৰ তেনেই কম। তাত গোটেইখিনি মানুহ একেলগে বহিবলৈ অসুবিধা হয়। ৰাজ্যপাল ডাঙৰীয়া, মন্ত্ৰী, বিধায়ক মুখ্য সচিবকে ধৰি বিভাগীয় সচিব পৰ্যন্ত বিষয়া সকল কেন্দ্ৰীয় সভা কক্ষত সমবেত হ'ব। অন্য চৰকাৰী- বিষয়া, বিধান সভাৰ বিষয়া কৰ্মচাৰী সকল আৰু প্ৰেছৰ সন্মানীয় বন্ধু সকল প্ৰত্যেকৰ বাবে এটাকৈ, মুঠ দুটা সুকীয়া কক্ষ আমি ফটো গ্ৰহণ কাৰ স্থানৰ কাষতে নিৰ্দিষ্ট কৰিছো। প্ৰেছৰ সন্মানীয় বন্ধু সকলে চাহ গ্ৰহণ কৰি কেন্দ্ৰীয় সভা কক্ষলৈ আহি ৰাজ্যপাল ডাঙৰীয়া, মন্ত্ৰী, বিধায়কৰ লগত বাৰ্তালাপ কৰিব বুলি আশা কৰিলো। চাহ-জলপান গ্ৰহণ কৰাত অসুবিধা নোহোৱাকৈ এই ব্যৱস্থাটো নিয়াৰিকৈ কৰাৰ উদ্দেশ্যেহে আজিৰ দিনটো ৰখা হৈছে। অন্য এটা বিষয় সম্পৰ্কে অনুৰোধ কৰিব বিচাৰিছো যে চাহ মেলত অংশ লোৱাৰ আগতে মহামান্য ৰাজ্যপালৰ সৈতে মাননীয় মুখ্যমন্ত্ৰী, মাননীয় উপাধ্যক্ষ, মন্ত্ৰী সভাৰ সদস্য সকল বিধান সভাৰ সদস্য/সদস্যা সকলৰ এখন আলোক চিত্ৰ সদনৰ কাষত থকা মুকলি স্থানত গ্ৰহণ কৰা হ'ব। আমি আলোক চিত্ৰ গ্ৰহণৰ সময়ত সকলোকে উপস্থিত থাকিবলৈ অনুৰোধ কৰিছোঁ আৰু আলোক চিত্ৰখন শৃংখলাৱদ্ধভাৱে গ্ৰহণ কৰাৰ স্বাৰ্থত এইবাৰ সন্মানীয় মন্ত্ৰী, মুখ্যমন্ত্ৰী, ৰাজ্যপাল ডাঙৰীয়া, প্ৰাক্তন মুখ্যমন্ত্ৰী, প্ৰাক্তন মন্ত্ৰী, প্ৰাক্তন অধ্যক্ষ সকলোৰে কাৰণ আমি নিৰ্দিষ্টকৈ আসনৰ ব্যৱস্থা কৰিছোঁ। এতিয়া সকলোকে মই প্ৰথমতে আলোকচিত্ৰ গ্ৰহণৰ স্থানলৈ যাবলৈ অনুৰোধ কৰিছোঁ। আগতে আমাৰ জেষ্ঠ্য সকলে বহাৰ আসন নোপোৱাতো আমি লক্ষ্য কৰিছো। সেই কাৰণে আমি এই নতুন নিয়ম প্ৰৱৰ্তন কৰিছো। সেই নিয়ম সকলোৰে মানি চলাটো মই বিছাৰোঁ।

এতিয়া মই সদন ৪৫ মিনিটিৰ কাৰণে স্থগিত ৰাখিছোঁ।

(অসমৰ মহামান্য ৰাজ্যপাল মহোদয়ৰ সন্মানাৰ্থে আয়োজন কৰা প্ৰীতি চাহমেলৰ অন্তত আজি **০৬-০২-২০১৮** তাৰিখে পুনৰ **১০-৪৫** ৰ পৰা সদনৰ কাৰ্য্যসূচী আৰম্ভ হয়।)

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন হব। মই মাননীয় বিধায়ক শ্ৰী দেৱানন্দ হাজৰিকাৰ পৰা এখন জাননী পাইছো। মই হাজৰিকাদেৱক প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী দেৱানন্দ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভা, দিশপুৰ, দিনাংক ৬ ফেব্ৰুৱাৰী **২০১৮**। মহোদয়, আজি সদনত আগবঢ়োৱা মহামান্য ৰাজ্যপালৰ ভাষণৰ সম্পৰ্কত এটি ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন কৰিবলৈ মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১৪-(২) ৰ অধীনত এখন জাননী প্ৰেৰণ কৰিছো। প্ৰস্তাৱটো হৈছে -এই অধিবেশনত মিলিত হোৱা অসম বিধান সভাৰ সদস্য/ সদস্যা সকলে ৬ ফেব্ৰুৱাৰী ২০১৮ তাৰিখে মহামান্য ৰাজ্যপালে সদনত আগবঢ়োৱা ভাষণৰ বাবে তেখেতৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য ঋতুপৰ্ণ বৰুৱাই মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ সমৰ্থন কৰিব বিচাৰিছে। মই তেখেতক অনুমতি দিলো।

**শ্ৰী ঋতু পৰ্ণ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী দেৱানন্দ হাজৰিকাদেৱে ৰাজ্যপালৰ ভাষণৰ ওপৰত যিটো ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন কৰিলে, সেই প্ৰস্তাৱটো মই আন্তৰিকতাৰে পূৰ্ণ সমৰ্থন জনালোঁ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো এতিয়া উত্থাপন কৰা হ'ল। ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্কৰ বাবে ৭,৮ আৰু ৯ ফেব্ৰুৱাৰী, ২০১৮ তাৰিখকেইটা ধাৰ্য্য কৰা হৈছে। ১২ ফেব্ৰুৱাৰী তাৰিখে মাননীয় মুখ্যমন্ত্ৰীৰ উত্তৰৰে এই বিতৰ্ক অন্ত কৰা হ'ব। ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত সংশোধনী প্ৰস্তাৱসমূহ বিধান সভা সচিবালয়ে আজি ৬ ফেব্ৰুৱাৰী, ২০১৮ তাৰিখে আবেলি ৪ বজালৈ গ্ৰহণ কৰিব। মাননীয় সদস্য/ সদস্যাসকলৰ ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত যদি কোনো সংশোধনী জাননী থাকে, তেনেহ'লে ওপৰত স্থিৰ কৰি দিয়া সময় আৰু তাৰিখত অসম বিধান সভাৰ প্ৰধান সচিবৰ কাৰ্য্যালয়ত দাখিল কৰিব পাৰিব।

এতিয়া মই কাৰ্য্যসূচী নং -৩ লৈ যাব বিচাৰিছোঁ। ৩ নং কাৰ্য্যসূচী মতে মই কাৰ্য্য-উপদেষ্টা সমিতিৰ প্ৰতিবেদন ঘোষণা কৰিছোঁ----

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ২৩০ৰ অধীনত অসম বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক অধ্যক্ষৰ কাৰ্য্যালয় সভাকক্ষত যোৱা ২৪ জানুৱাৰী ২০১৮ তাৰিখে দিনৰ ১-০০ বজাত অনুষ্ঠিত কৰা হয় আৰু বৈঠকত আজি ০৬ জানুৱাৰী, ২০১৮ তাৰিখৰ পৰা আৰম্ভ হোৱা অসম বিধান সভাৰ বাজেট আধিৱেশনৰ দিনপঞ্জীখন চূড়ান্ত কৰা হয়।

বৈঠকত দিনপঞ্জীখনৰ দৈনিক কাৰ্য্যসূচীৰ ওপৰত পুংখানুপুংখভাৱে আলোচনা হোৱাৰ পিছত সমিতিয়ে সৰ্বসন্মতিক্ৰমে বিধান সভাৰ চলিত বাজেট অধিৱেশন অহা ০৬ এপ্ৰিল, ২০১৮ তাৰিখ পৰ্যন্ত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

অধিবেশনৰ মুঠ ২৫ দিন কৰ্মদিনৰ ২২ দিন চৰকাৰী কাৰ্য্যসূচী আৰু ৩ দিন বে-চৰকাৰী সদস্যৰ কাৰ্য্যসূচীৰ বাবে ধাৰ্য্য কৰা হয়। অহা ৭,৮,৯ আৰু ১২ ফেব্ৰুৱাৰী, ২০১৮ তাৰিখত ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত বিতৰ্কৰ দিন নিৰ্ধাৰণ কৰা হৈছে। ১৯ আৰু ২০ ফেব্ৰুৱাৰী, ২০১৮ তাৰিখত ২০১৭-১৮ বৰ্ষৰ পৰিপূৰক মঞ্জুৰীৰ বাবে দাবীসমূহৰ ওপৰত আলোচনা কৰাৰ অন্তত বিনিয়োজন-১ বিধেয়কখন পাৰিতকৰণ হ'ব।

১২ মাৰ্চ, ২০১৮ তাৰিখে ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বাজেট উপস্থাপন কৰা হ'ব। ১৩ মাৰ্চ, ১৪ মাৰ্চ আৰু ১৫ মাৰ্চ তাৰিখ কেইটাত বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাবে ধাৰ্য্য কৰা হৈছে।

১৬ মাৰ্চ, ২০১৮ ৰ পৰা ২৫ মাৰ্চ, ২০১৮ তাৰিখলৈ বিভাগীয়ভাৱে সম্পৰ্কীত স্থায়ী সমিতি সমূহৰ বৈঠক অনুষ্ঠিত কৰাৰ বাবে সদনৰ কাৰ্য্যসূচী স্থগিত ৰখাৰ সিদ্ধান্ত লোৱা হয়। তদুপৰি অহা ২৬ মাৰ্চ, ২০১৮ ৰ পৰা ২৮ মাৰ্চ, ২০১৮ তাৰিখলৈ বাজেটৰ মঞ্জুৰীৰ বাবে দাবীসমূহৰ ওপৰত ভোটদানৰ উপৰিও ২৮ মাৰ্চ, ২০১৮ তাৰিখে বিনিয়োজন- ২ বিধেয়কখন পাৰিতকৰণ কৰা হ'ব।

এইবাৰ বিধান সভাত 'সদস্যৰ সময়' (Members's Hour) শীৰ্ষক কাৰ্য্যসূচী আৰম্ভ কৰা হৈছে যাৰ জৰিয়তে সদস্য সকলে নিজ সমষ্টিৰ কেইটামান মুখ্য বিষয়ৰ ওপৰত বক্তব্য ৰখাৰ দিহা কৰা হৈছে। আনহাতে 'অধ্যক্ষৰ উদ্যোগ' (Speaker's Initiative) ত শিক্ষা বিষয়ৰ ওপৰত দুটা দিন ধৰি পূৰ্ণ পৰ্যায়ৰ আলোচনা কৰাৰ দিহা কৰা হৈছে। "Sustainable Deve-lopment Goal" বিষয়ৰ ওপৰত সদনত এটা দিন আলোচনাৰ বাবে ধাৰ্য্য কৰা হৈছে।

বৈঠকত সমিতিয়ে দেশ তথা ৰাজ্যখনলৈ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, সাহিত্য আদি বিভিন্ন দিশত বৰঙণি আগবঢ়োৱা খ্যাতনমা মৃতব্যক্তি সকলৰ নাম মৃত্যু প্ৰসংগত অন্তৰ্ভুক্ত কৰিবলৈ সম্মতি প্ৰকাশ কৰে।

ইতিমধ্যে চলিত বাজেট অধিৱেশনৰ দিনপঞ্জীখন সদনৰ মাননীয় সকলো সদস্য-সদস্যাৰ মাজত বিতৰণ কৰা হৈছে। আশা কৰো এই প্ৰতিবেদনৰ ওপৰত মাননীয় সদস্য/সদস্যা সকলৰ অনুমোদন আছে।

( মাননীয় সদস্য-সদস্যা সকলে হাতচাপৰিৰে প্ৰতিবেদনখন সমৰ্থন কৰে)

মাননীয় অধ্যক্ষ ঃ এতিয়া কাৰ্য্যসূচী নং- ৪

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৯ (১) নিয়মৰ অধীনত সদন পৰিচালনাৰ বাবে মনোনীত সভাপতি সকলৰ নাম মই ঘোষণা কৰিছো----

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ৯ (১) ৰ অধীনত চতুৰ্দশ অসম বিধান সভাৰ বাজেট অধিৱেশন পৰিচালনা কৰিবৰ বাবে নিম্নলিখিত মাননীয় সদস্য কেইগৰাকীক সভাপতি হিচাপে মনোনীত কৰা হ'ল ঃ---

(১) শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা

(২) শ্ৰী বীৰ ভদ্ৰ হাগজেৰ

(৩) শ্ৰী আব্দুল খালেক

(৮) শ্ৰী ইমানুৱেল মুছাহাৰী

মই আশা ৰাখিছো ইয়াত সদনৰ সন্মতি আছে।

( সদনে সন্মতি প্ৰকাশ কৰে)

মাননীয় অধ্যক্ষ ঃ কাৰ্য্যসূচী নং ৫ লৈ আহিছো।

এতিয়া মাননীয় ৰাজ্যিক (স্বতন্ত্ৰ) শক্তি মন্ত্ৰীয়ে ২০১৭ আৰু ২০১৮ চনৰ অধিসূচনা ছয়খন একাদিক্ৰমে সদনত দাখিল কৰিব।

মাননীয় মন্ত্ৰী শ্ৰী পল্লৱলোচন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ২০১৭ আৰু ২০১৮ চনৰ অধিসূচনা ছয়খন একাদিক্ৰমে সদনত দাখিল কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং- ৬

এতিয়া মাননীয় ৰাজ্যিক (স্বতন্ত্ৰ) শক্তি মন্ত্ৰীয়ে ২০১৫-১৬ চনৰ অসম Electricity Regulatory Commission ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিব।

মাননীয় মন্ত্ৰী শ্ৰী পল্লৱলোচন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ২০১৫-১৬ চনৰ অসম Electricity Regulatory Commission ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং - ৭

এতিয়া মাননীয় ৰাজ্যিক (স্বতন্ত্ৰ) শক্তি মন্ত্ৰীয়ে ২০১৪-১৫ চনৰ অসম Power Distribution Company Limited ৰ ১২ তম্ বাৰ্ষিক প্ৰতিবেদন ও হিচাপ সদনত দাখিল কৰিব।

**শ্ৰী পল্লৱলোচন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০১৪-১৫ চনৰ Assam Power Distribution Company Limited ৰ ১২ তম্ বাৰ্ষিক প্ৰতিবেদন ও হিচা প সদনত দাখিল কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং - ৮

এতিয়া মাননীয় ৰাজ্যিক (স্বতন্ত্ৰ) শক্তি মন্ত্ৰীয়ে ২০১৫-১৬ চনৰ Assam Power Generation Corporation Limited ৰ বাৰ্ষিক প্ৰতিবেদনৰ হিচাপ সদনত দাখিল কৰিব।

**শ্ৰীপল্লৱলোচন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০১৫-১৬ চনৰ Assam Power Generation Corporation Limited ৰ বাৰ্ষিক প্ৰতিবেদনৰ হিচাপ সদনত দাখিল কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং - ৯

এতিয়া Perliamentary Affairs Minister য়ে মাননীয় মুখ্যমন্ত্ৰীৰ হৈ ২০১৩-১৪ আৰু ২০১৪ -১৫ চনৰ Assam Human Right Commission ৰ পৃথক হিচাপ পৰীক্ষাৰ প্ৰতিবেদন দুখন সদনত দাখিল কৰিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই মাননীয় মুখ্যমন্ত্ৰীৰ হৈ ২০১৩-১৪ আৰু ২০১৪ -১৫ চনৰ Assam Human Right Commission ৰ পৃথক হিচাপ পৰীক্ষাৰ প্ৰতিবেদন দুখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় উদ্যোগ ও বাণিজ্য মন্ত্ৰীয়ে ২০১৬-১৭ চনৰ Brahmaputra Cracker and Polymer Limited ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই ২০১৬-১৭ চনৰ ব্ৰহ্মপুত্ৰ Brahmaputra Cracker and Polymer Limited ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং ১১। এতিয়া মাননীয় উদ্যোগ ও বাণিজ্য মন্ত্ৰীয়ে ২০১৬-১৭ চনৰ Assam Gas Company Ltd ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই ২০১৬-১৭ চনৰ Assam Gas Company Ltd ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং ১২। এতিয়া মাননীয় উদ্যোগ ও বাণিজ্য মন্ত্ৰীয়ে ২০১৬-১৭ চনৰ Assam Petro Chemicals Ltdৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই ২০১৬-১৭ চনৰ Assam Petro Chemicals Ltdৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং ১৩। এতিয়া মাননীয় উদ্যোগ ও বাণিজ্য মন্ত্ৰীয়ে ২০১৬-১৭ চনৰ DNP Limited ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই ২০১৬-১৭ চনৰ DNP Limited ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং ১৪। এতিয়া মাননীয় শিক্ষা মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে ২০১১ চনৰ The Kumar Bhaskar Varma Sanskrit and Ancient Studies University আইনৰ ১৬ (১) (xvi) ধাৰাৰ অধীনত অসম বিধান সভাৰ সদস্য সকলৰ মাজৰ পৰা সাত জন সদস্য উক্ত University কোৰ্টৰ সদস্য নিৰ্বাচনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় মাননীয় শিক্ষা মন্ত্ৰীৰ হৈ I beg to move 7(seven) Members of the Assam Legislative Assembly are to be elected as Members of the Court of the Kumar Bhaskar Varma Sanskrit and Ancient Studies University under Clause 16(1) (xvi) of Assam Act. No. IX of 2011 of Kumar Bhaskar Sanskrit and Ancient Studies University Act, 2010.

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং ১৫। এতিয়া মাননীয় সমবায় মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে ২০১০ চনৰ Assam Rajiv Gandhi University of Coopeartive Management আইনৰ ২৫ (বি) (ii) ধাৰাৰ অধীনত অসম বিধান সভাৰ সদস্য সকলৰ মাজৰ পৰা দুজনক উক্ত University কোৰ্টৰ সদস্য হিচাবে নিৰ্বাচনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় মাননীয় সমবায় মন্ত্ৰীৰ হৈ Hon'ble Speaker Sir, I behalf of the Hon'ble Minister of Co-operation to move 2(two) Members of the Assam Legislative Assembly are to be elected as mem-

bers of the Assam Rajiv Gandhi Universtiy of Coooperative Management (ARGUCOM) Court U/S 25(B)(ii) of Assam Rajiv Gandhi University of Coperative Management Act, 2010.

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং ১৬। এতিয়া মাননীয় ৰাজ্যিক স্বতন্ত্ৰ সমাজকল্যাণ মন্ত্ৰীয়ে ২০১৬ চনৰ The Right of Persons with Disabilities আইনৰ ৬৬ (২) (ডি) ধাৰাৰ অধীনত সমাজ কল্যাণ বিভাগৰ উপদেষ্টা পৰিষদৰ বাবে অসম বিধানসভাৰ সদস্য সকলৰ মাজৰ পৰা তিনিজন সদস্য নিৰ্বাচনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰীনৰ কুমাৰ দলে (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০১৬ চনৰ The Right of Persons with Disabilities আইনৰ ৬৬ (২) (ডি) ধাৰাৰ অধীনত সমাজ কল্যাণ বিভাগৰ উপদেষ্টা পৰিষদৰ বাবে অসম বিধানসভাৰ সদস্য সকলৰ মাজৰ পৰা তিনিজন সদস্য নিৰ্বাচনৰ বাবে প্ৰস্তাৱ কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং ১৭ । মাননীয় নগৰ উন্নয়ন মন্ত্ৰী "The Assam State Housing Board(Amendment) Bill,2018 " উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ কৰিলোঁ।

**শ্ৰীঅতুল বৰাঃ** ( মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়,(The Assam State Housing Board(Amendment) Bill,2018 " বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধেয়কখন উত্থাপন কৰিবলৈ সদনৰ সন্মতি আছেনে ?

( সদনে বিধেয়কখনত অনুমতি প্ৰদান কৰে)

**মাননীয় অধ্যক্ষঃ** অনুমতি দিয়া হ'ল, গতিকে মন্ত্ৰী ডাঙৰীয়াক সদনত বিলখন উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰীঅতুল বৰাঃ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় (The Assam State Housing Board(Amendment) Bill,2018 " বিধেয়কখন মই সদনত উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই বিধান সভাৰ প্ৰধান সচিবক বিধেয়কখনৰ শিৰোনামাটো পঢ়ি দিবলৈ অনুৰোধ জঁনালো।

**প্ৰধান সচিব, অসম বিধান সভা ঃ** বিধেয়কখনৰ শিৰোনামাটো হ'ল " The Assam State Housing Board (Amendment) Bill, 2018"

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ পিছত আইটেম নং -১৮

**মাননীয় অধ্যক্ষ ঃ** মাননীয় আৱকাৰী মন্ত্ৰীক “The Assam Excise (Amendment )Bill,2018” খন উপস্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ উপস্থাপন কৰিবলৈ অনুৰোধ জনালো ।

**শ্ৰী পৰিমল শুক্লবৈদ্য,আবকাৰী মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, “The Assam Excise (Amendment )Bill,2018” বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই আপোনাৰ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে? অনুমতি দিয়া হৈছে। মই এতিয়া ৰাজ্যৰ ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে যোয়া ২৯ জানুৱাৰী ২০১৮ ত পঠোৱা বাণীটো পঢ়ি দিছো।

## ORDER

RAJ BHAVAN
GUWAHATI
29-01-2018

Under the provision of Article 207(1) of the Constitution of India,prof Jagadish Mukhi,Governor of Assam ,recommend the introduction of “The Excise(Amendment) 2018 ” in the A ssam Legislative Assembly.

**Sd/–**
**(Prof. Jagdish Mukhi )**
**Governor of Assam**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই মন্ত্ৰী ডাঙৰীয়াক বিধায়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী পৰিমল শুক্লবৈদ্য,আবকাৰী মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, “The Assam Excise (Amendment )Bill,2018” খন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবক বিধেয়কখনৰ শিৰোনামা পঢ়ি দিবলৈ অনুৰোধ জনালো।

**প্ৰধান সচিব,অসম বিধান সভা ঃ** বিধেয়কখনৰ শিৰোনামা “The Assam Excise (Amendment)Bill,2018”

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই সংসদীয় পৰিক্ৰমা মন্ত্ৰীক বিত্ত মন্ত্ৰীৰ হৈ ২০১৭-১৮ চনৰ বাবে পৰিপূৰক দাবী আৰু পৰিপূৰক বিনিয়োজন সমূহৰ তালিকাখন সংসদত উপস্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, On behalf of Finance Minster Assam.I beg to present the List of Supplementary demand for Grants and Supplementary Appropriation for the year 2017-18.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শেষৰ কাৰ্য্যসূচীলৈ আহিছো।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অনাৰেবল মিনিষ্টাৰ যিখিনি আছে তেওঁলোকৰ ওচৰত যাবলৈ আমাৰ বিৰাট অসুবিধা হয়। ১২ টা Portfolio এজন মন্ত্ৰীৰ ওচৰত আছে। যদি আমি যাওঁ কেনেকৈ যাম যিহেতু তেওঁলোক খুব ব্যস্ত থাকে। মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ শীঘ্ৰে প্ৰয়োজন।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক। মন্ত্ৰী সভাৰ সম্প্ৰসাৰণ হ'ব বুলি মইও আশা কৰি আছো।

এতিয়া মৃত্যু প্ৰসংগ----

চৰ্তুদশ অসম বিধান সভাৰ পঞ্চম অধিৱেশন সমাপ্তিৰ পৰা আজি ০৬-০২-২০১৮ তাৰিখে ষষ্ঠ অধিৱেশন অনুষ্ঠিত হোৱালৈকে এই কালছোৱাৰ ভিতৰত ৰাজ্য তথা দেশৰ বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়োৱা ভালেকেইগৰাকী বৰেণ্য ব্যক্তি পৰলোক প্ৰাপ্তি ঘটে। অতি দুঃখ আৰু ব্যথিত হৃদয়েৰে আজি অসম বিধান সভাৰ পৱিত্ৰ মজিয়াত এই বৰেণ্য ব্যক্তিসকলৰ শোক প্ৰকাশ কৰিবলৈ লোৱা হৈছে।

**১) গোবিন্দ চন্দ্ৰ লাংথাছা ঃ**

প্ৰাক্তন মন্ত্ৰী, প্ৰাক্তন বিধায়ক তথা জ্যেষ্ঠ ৰাজনৈতিক নেতা লাংথাছা ডাঙৰীয়াই ক্ৰমে ১৯৮৩,১৯৮৫, ১৯৯১,২০০১, ২০০৬ আৰু ২০১১ চনত মুঠ ৬ বাৰকৈ হাফলং বিধান সভা সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিৰ্ব্বাচিত হৈছিল। তদুপৰি তেখেতে ১৯৮৩, ১৯৯১ আৰু ২০০১ চনত অসম চৰকাৰৰ মন্ত্ৰী সভাত কেবিনেট মন্ত্ৰীৰ পদত অধিষ্ঠিত হৈছিল । ইয়াৰ উপৰি লাংথাচা ডাঙৰীয়াই কাছাৰ স্বায়িত্ব শাষিত পৰিষদৰ তিনিবাৰ মুখ্য কায্যবাহী সদস্য আৰু দুবাৰ কাৰ্য্যবাহী সদস্য হিচা পে কাৰ্য্যনিৰ্বাহ কৰিছিল।

**২) আনোৱাৰ হুছেইন ঃ**

প্ৰাক্তন মন্ত্ৰী, সাংসদ ও প্ৰাক্তন বিধায়ক হুছেইন ডাঙৰীয়াই ১৯৯১ চনত

কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে বিলাসীপাৰা পূৱ সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত হৈ ৰাজ্যৰ মন্ত্ৰী সভাৰ বিত্ত পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্ৰী পদত অধিষ্ঠিত হৈছিল তদুপৰি তেখেতে ২০০৪ চনত চতুৰ্দশ লোকসভা নিৰ্বাচনত ধুবুৰী লোকসভা সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ সাংসদ হিচাপেও নিৰ্বাচিত হৈছিল।

**৩) নেপাল চন্দ্ৰ দাস ঃ**

প্ৰাক্তন মন্ত্ৰী , সাংসদ ও প্ৰাক্তন বিধায়ক দাস ডাঙৰীয়াই ১৯৭৮ চনত প্ৰথম বাৰৰ বাবে কাছাৰ জিলাৰ কাটিগড়া বিধান সভা সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ বিধায়ক নিৰ্বাচিত হৈ ৰাজ্যলৈ দক্ষতাৰ সেৱা আগবঢ়াইছিল। তেখেতে পুনৰ দ্বিতীয়বাৰৰ বাবে ১৯৮৩ চনত অসম বিধান সভালৈ নিৰ্বাচিত হয় ৰাজ্যচৰকাৰৰ মন্ত্ৰী সভাত গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্যিক(স্বতন্ত্ৰ) মন্ত্ৰী হিচাপে কাৰ্য্যনিবাহ কৰিছিল। তদুপৰি দাস ডাঙৰীয়াই ১৯৯৯ চনত কৰিমগঞ্জ লোকসভা সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে লোকসভালৈ সাংসদ নিৰ্বাচিত হৈ নিষ্ঠা আৰু ঐকান্তিকতাৰে সেৱা আগবঢ়াইছিল।

**৪) গিয়াছউদিন আহমেদ ঃ**

অসম বিধান সভাৰ উপাধ্যক্ষ তথা জ্যেষ্ঠ ৰাজনৈতিক নেতা আহমেদ ডাঙৰীয়াই ১৯৬৭ চনত প্ৰথম বাৰৰ বাবে বিলাসীপাৰা বিধান সভা সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিবাৰ্চিত হৈছিল । পৰবৰ্তী সময়ত তেখেতে চি পি আই দলত যোগদান কৰি পুনৰ ১৯৭২, ১৯৭৮ আৰু ১৯৯১ চনত অসম বিধান স ভালৈ নিৰ্বা চিত হৈ ৰাজ্যলৈ উল্লেখনীয় সেৱাৰ বৰঙনি আগবঢ়াই থৈ গৈছিল। তদুপৰি তেখেতে ১৯৮৯ চনত অসম বিধান সভাত পদ অলংকৃত কৰিছিল।

**৫) প্ৰফুল্ল গোস্বামী ঃ**

প্ৰাক্তন বিধায়ক তথা নিষ্ঠাবান সমাজ কৰ্মী গোস্বামী ডাঙৰীয়াই ১৯৮৫ আৰু ১৯৯৬ চনত বৰচলা বিধান সভা সমষ্টিৰ পৰা অসম গণ পৰিষদ দলৰ প্ৰাৰ্থীৰূপে দুবাৰকৈ অসম বিধান সভালৈ বিধায়ক নিবাৰ্চিত হৈ ৰাজ্যলৈ বিশেষ সেৱাৰ বৰঙনি আগবঢ়াই থৈ গৈছে। তদুপৰি তেখেতে খাদী বোৰ্ডৰ অধ্যক্ষ , অসম বিধান সভাৰ লাইব্ৰেৰী কমিটিৰ অধ্যক্ষকে ধৰি বিভিন্ন সামাজিক অনুষ্ঠান- প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোত ভাবে নিষ্ঠাৰে সেৱাৰ বৰঙনি আগবঢ়াইছিল।

**৬) মদুসূদন তিৱাৰী ঃ**

জ্যেষ্ঠ ৰাজনৈতিক নেতা তথা প্ৰাক্তন বিধায়ক তিৱাৰী ডাঙৰীয়াই ১৯৯১ চনৰ ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থীৰূপে পাথাৰ কান্দি বিধান স ভা সমষ্টিৰ পৰা অসম বিধান স ভালৈ নিৰ্বাচিত হৈ ৰাজ্যলৈ দক্ষতাৰে সেৱা আগবঢ়াইছিল। তদুপৰি

তেখেতে ৰাজনীতিৰ সমান্তৰালকৈ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওত ঃপ্ৰোত ভাবে জড়িত আছিল।

**৭) মোজাম্মিল আলী চৌধুৰী ঃ**

প্ৰাক্তন বিধায়ক ও বিশিষ্ট সমাজ কৰ্মী প্ৰয়াত চোধুৰী ডাঙৰীয়াই ১৯৭৮ যমুনামুখ বিধান সভা সমষ্টিৰ পৰা জনতা দলৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হৈ ৰাজ্যলৈ উল্লেখনীয় সেৱাৰ বৰঙনি আগবঢ়াই থৈ গৈছে। তদুপৰি তেখেতে জনতা চৰকাৰৰ সাংসদীয় সচিব হিচাপেও সেৱা আগবঢ়াইছিল।

**৮) বিপিন হাজৰিকা ঃ**

প্ৰাক্তন বিধায়ক তথা প্ৰবীন ৰাজনৈতিক নেতা হাজৰিকা ডাঙৰীয়াই ১৯৭৮ চনত চি পি আই (এম) দলৰ প্ৰাৰ্থীৰূপে শদিয়া বিধান সভা সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত হৈ ৰাজ্যলৈ একান্ত নিষ্ঠা ঐকান্তিকতাৰে সেৱাৰ বৰঙনি আগবঢ়াইছিল।

**৯) বিৰেন্দ্ৰ নাথ চৌধুৰী ঃ**

প্ৰাক্তন বিধায়ক তথা নিষ্ঠাবান সমাজকৰ্মী চৌধুৰী ডাঙৰীয়াই ছাত্ৰাবস্থাৰ পৰাই সমাজ সেৱাত ব্ৰতী হৈ নিষ্ঠা আৰু ঐকান্তিকতাৰে সমাজলৈ সেৱাৰ বৰঙনি আগবঢ়াইছিল। তদুপৰি তেখেতে ১৯৭৮ চনত পূৱ গোৱালপাৰা সমষ্টিৰ পৰা চি পি আই (এম) দলৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হৈ দক্ষতাৰে কাৰ্যনিৰ্বাহ কৰিছিল।

**১০) বদ্ৰী নাৰায়ণ সিং ঃ**

প্ৰাক্তন বিধায়ক ও নিষ্ঠাবান সমাজ কৰ্মী সিং ডাঙৰীয়াই ১৯৯১ চনত কাছাৰ জিলাৰ সোনাই বিধান সভা সমষ্টিৰ পৰা ভাৰতীয় জনতা পাৰ্টী দলৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হৈ ৰাজ্যলৈ উল্লেখনীয় সেৱাৰ বৰঙনি আগবঢ়াই থৈ গৈছে। তদুপৰি তেখেতে আজীৱন বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি নিষ্ঠা আৰু সততাৰে বহু গুৰু দায়িত্ব বহন কৰিছিলে।

**১১) প্ৰসন্ন চৌধুৰী ঃ**

বিশিষ্ট মুক্তিযোদ্ধা তথা প্ৰবীন শিল্পী গোস্বামী ডাঙৰীয়াই ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয়তাৰে যোগদান কৰি দেশ মাতৃলৈ বিশেষ সেৱাৰ বৰঙনি আগবঢ়াই থৈ গৈছে তদুপৰি তেখেতে দুশৰো অধিক নাটক আৰু বোলছবিত অভিনয় কৰি ৰাজ্যখনৰ সাংস্কৃতিক জগতলৈ উল্লেখনীয় অৱদান আগবঢ়াই থৈ গৈছে।

**১২) ৰত্নকান্ত বৰা ঃ**

বিশিষ্ট মুক্তিযোদ্ধা বৰা ডাঙৰীয়াই ভাৰতৰ স্বাধীনতা আন্দোলনত এগৰাকী

সক্ৰিয় কৰ্মীৰূপে দেশমাতৃলৈ বিশেষ সেৱাৰ বৰঙনি আগবঢ়াই থৈ গৈছে। ৰাজ্যচৰকাৰে তেখেতক মুক্তি যুঁজাৰু পেঞ্চনেৰে সন্মানীত কৰিছিল।

**১৩) ৰাধিকা মোহন ভাগৱতী ঃ**

অসমৰ সংবাদ জগতৰ মহীৰূহ তথা বিশিষ্ট সাহিত্যিক ভাগৱতী ডাঙৰীয়াই ৰাজ্যৰ সংবাদ জগতলৈ উল্লেখনীয় অৱদান আগবঢ়াই এক নতুন পথ প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল। তেখেতে দৈনিক নতুন অসমীয়া, আজিৰ অসম, দৈনিক অসম বাতৰি কাকত , মাহেকীয়া সাহিত্য আলোচনী ৰামধেনুকে ধৰি কেইবাখনো জনপ্ৰিয় বাতৰি কাকতৰ সম্পাদক হিচাপে গুৰু দায়িত্ব বহন কৰিছিল।

**১৪) বলেন বৰা ঃ**

বিশিষ্ট সাংবাদিক বৰা ডাঙৰীয়াই এগৰাকী ফটো সাংবাদিক ৰূপে সংবাদ জগতত আত্ম প্ৰকাশ কৰি পৰবৰ্তী সময়ত নতুন দৈনিক, আমাৰ অসম, দৈনিক অসমকে ধৰি ৰাজ্যখনৰ বহু কেইখন বাতৰি কাকতত সংবাদ সেৱা আগবঢ়াইছিল। তদুপৰি তেখেতে নগাঁৱৰ পৰা প্ৰকাশিত ‘কলংপাৰ’, সাপ্তাহিক কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

**১৫) জগত কামাৰ ঃ**

নিখিল ৰাভা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সমাজকৰ্মী জগত কামাৰ ডাঙৰীয়াই ১৯৯৪ চনৰ পৰা ২০১২ চনলৈকে নিখিল ৰাভা সাহিত্য সভাৰ সভাপতিৰ আসন অলংকৃত কৰিছিল। তদুপৰি তেখেতে ‘জংছা নাবেং’, লখিমী ৰণতককে ধৰি কেইবাখনো উল্লেখনীয় গ্ৰন্থ প্ৰকাশ কৰিছিল। ২০১৬ চনৰ ৰাভা সাহিত্যিক বঁটা লাভ কৰা কামাৰ ডাঙৰীয়াই বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত আছিল।

**১৬) বাণেশ্বৰ বসুমতাৰী ঃ**

নিখিল বড়ো ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি আৰু বিশিষ্ট সমাজকৰ্মী বাণেশ্বৰ বসুমতাৰী ডাঙৰীয়াই ১৯৬৭ চনত সদৌ বড়ো ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তদুপৰি তেখেত ডিমাপুৰ, অননাই আদিকে ধৰি বহুকেইখন উল্লেখযোগ্য গ্ৰন্থ ৰচনা কৰি এগৰাকী সাহিত্যিক হিচাপেও সুখ্যাতি অৰ্জন কৰিছিল।

**১৭) বিজু ফুকন ঃ**

বিশিষ্ট অভিনেতা বিজু ফুকন ডাঙৰীয়াই ডাক্তৰ বেজবৰুৱা ছবিৰে অসমীয়া ছবি জগতত আত্ম প্ৰকাশ কৰি পৰৱৰ্তী সময়ত অসমীয়া ছবি জগতৰ ৰোমাণ্টিক হিৰো হিচাপে এক সুকীয়া পৰিচয় দিবলৈ সক্ষম হৈছিল। তেখেতে প্ৰায় ৮০ খনৰো

অধিক ছবিত অভিনয় কৰি নিজস্ব অভিনয় প্ৰতিভা ৰ স্বাক্ষৰ আমাৰ মাজত এৰি থৈ গৈছে।

**১৮) আব্দুল মজিদ ঃ**

অসমীয়া ছবি জগতৰ যশস্বী পৰিচালক-প্ৰযোজক আৰু অভিনেতা আব্দুল মজিদ ডাঙৰীয়াই ছাত্ৰাৱস্থাৰ পৰাই অভিনয় জগতত প্ৰৱেশ কৰি সুখ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছিল। তদুপৰি তেখেতে 'ৰঙা পুলিচ'ৰ জৰিয়তে অসমীয়া ছবি জগতত অভিনয়ৰ পাতনি মেলি পৰৱৰ্তী সময়ত 'চামেলি মেম চাহাব'কে ধৰি বহু জনপ্ৰিয় অসমীয়া ছবিত নিজৰ অভিনয় প্ৰতিভাৰ চাপ এৰি থৈ গৈছে।

**১৯) নন্দ কিশোৰ মহেশ্বৰী ঃ**

বিশিষ্ট সমাজকৰ্মী, সাংবাদিক, প্ৰযোজক তথা বিশিষ্ট অভিনেতা নন্দ কিশোৰ মহেশ্বৰী ডাঙৰীয়াই ছাত্ৰাৱস্থাৰ পৰাই সমাজ সেৱাত জড়িত হৈ পৰাৰ লগতে অভিনয় জগততো জড়িত হৈ সুখ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছিল। তেখেতে লখিমপুৰ জিলাৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থকাৰ উপৰি ৰাজ্যখনৰ সাংস্কৃতিক জগততো বিশেষ অৱদান আগবঢ়াই থৈ গৈছে।

**২০) নলিনী বৰুৱা ঃ**

প্ৰবীণ অভিনেত্ৰী নলিনী বৰুৱা ডাঙৰীয়ানীয়ে পূৰ্ব জ্যোতি থিয়েটাৰৰ যোগেদি অভিনয় জীৱনৰ পাতনি মেলি পৰৱৰ্তী সময়ত নটৰাজ, মঞ্চজ্যোতি, ভাগ্যদেৱী আদি থিয়েটাৰতো অভিনয় কৰি খ্যাতি অৰ্জন কৰিছিল। তদুপৰি বৰুৱা ডাঙৰীয়ানীয়ে শোণিত কুৰঁৰী, চিৰাজ আদি জনপ্ৰিয় নাটকতো নিজৰ অভিনয় প্ৰতিভাৰ চাপ এৰি থৈ গৈছে।

**২১) কমল হাজৰিকা ঃ**

বিশিষ্ট গীতিকাৰ, সুৰকাৰ তথা কণ্ঠ শিল্পী কমল হাজৰিকা ডাঙৰীয়াই ১৯৭৮ চনত লণ্ডনত প্ৰাগজ্যোতি কলা পৰিষদ নামেৰে এটি অনুষ্ঠান প্ৰতিষ্ঠা কৰি অসমীয়া সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত উল্লেখনীয় অৱদান আগবঢ়াইছিল। তদুপৰি তেখেতে 'চেনাই মই যাও' কে ধৰি বহু জনপ্ৰিয় গীত ৰচনা কৰি অসমীয়া সংস্কৃতিৰ ভঁৰাল চহকী কৰি থৈ গৈছে।

**২২) ৰাহুল দাস ঃ**

বিশিষ্ট কৌতুক অভিনেতা তথা খাপ্লাং কাই খ্যাত ৰাহুল দাস ডাঙৰীয়াই কৌতুক অভিনয়ক এক বিশেষ মাত্ৰা প্ৰদান কৰি অসমৰ চাৰিওদিশে দৰ্শকক হাঁহিৰ খোৰাক যোগাই বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। তেখেতে দৰ্শক জনতাৰ মাজত খাপলাংকাই নামেৰে খ্যাত আছিল।

**২৩) ডলী দাস ঃ**

লোকগীতৰ সম্ৰাজ্ঞী ডলী দাস ডাঙৰীয়ানীয়ে লোক সংগীতক প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ ক্ষেত্ৰত উল্লেখনীয় অৱদান আগবঢ়াই থৈ গৈছে। তেখেতে ২০১১ চনত বুলগেৰীয়াত অনুষ্ঠিত বিশ্ব লোক সংগীত প্ৰতিযোগিতাত স্বৰ্ণ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। তদুপৰি দাস ডাঙৰীয়ানী ৰাষ্ট্ৰপতি পুৰস্কাৰৰে সন্মানিত হোৱাৰ লগতে বহুতো উচ্চস্তৰীয় বঁটা ও সন্মানেৰে বিভূষিত হৈছিল।

**২৪) গিৰিধৰ লহকৰ ঃ**

প্ৰবীণ অভিনেতা গিৰিধৰ লহকৰ ডাঙৰীয়াই ছাত্ৰাৱস্থাৰ পৰাই অভিনয় জগতত জড়িত হৈ দৰ্শক জনতাৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। তেখেতে কহিনুৰ, হেঙুল, সুৰ দেৱী থিয়েটাৰকে ধৰি অসমৰ আগ শাৰীৰ নাট্য দল সমূহত এগৰাকী সুদক্ষ অভিনেতা হিচাপে নিজক প্ৰতিষ্ঠা কৰি থৈ গৈছে।

**২৫) জীৱন চন্দ্ৰ ফুকন ঃ**

জ্যেষ্ঠ অধিবক্তা, বিশিষ্ট খেলুৱৈ তথা প্ৰবীণ অভিনেতা জীৱন চন্দ্ৰ ফুকন ডাঙৰীয়া এগৰাকী জ্যেষ্ঠ অধিবক্তা ৰূপে পৰিচিত আছিল। তেখেতে 'ৰশ্মি ৰেখা' বোলছবিৰ জৰিয়তে অভিনয় জগতত প্ৰৱেশ কৰি পৰৱৰ্তী সময়ত 'চামেলী মেমচাহাব', 'পোনাকণ' আদি ছবিত অভিনয় কৰি দৰ্শক জনতাৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। তদুপৰি ফুকন ডাঙৰীয়াই ক্ৰীড়াৰ ক্ষেত্ৰ খনলৈ উল্লেখনীয় অৰিহণা আগবঢ়োৱা বাবে ৰাজ্য চৰকাৰে তেখেতক ক্ৰীড়া পেঞ্চনেৰে সন্মানিত কৰিছিল।

**২৬) মুকুল মহন্ত ঃ**

বিশিষ্ট সমাজকৰ্মী, নিবন্ধকাৰ আৰু পি.চি.জি.ৰ অন্যতম সদস্য মুকুল মহন্ত ডাঙৰীয়াৰ বহু উল্লেখনীয় নিবন্ধ বহু জনপ্ৰিয় কাকত আলোচনীত সিচৰঁতি হৈ আছে। তদুপৰি তেখেতে পি. চি. জি. ৰ এগৰাকী অন্যতম সদস্য হিচাপেও সেৱা আগবঢ়াইছিল।

**২৭) সুৰেন্দ্ৰ কুমাৰ দাস ঃ**

বিশিষ্ট শিশু সাহিত্যিক আৰু নিবন্ধকাৰ সুৰেন্দ্ৰ কুমাৰ দাস ডাঙৰীয়াই শিশু গ্ৰন্থ, গল্প পুথি, প্ৰবন্ধ, নাটককে ধৰি মুঠ ১১৭ খনৰো অধিক গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্য সমৃদ্ধ কৰি থৈ গৈছে। তদুপৰি তেখেতে নতুন দৈনিক কাকতৰ প্ৰেছ মেনেজাৰকে ধৰি বিভিন্ন সংবাদ গোষ্ঠীৰ বিভন্ন পদত সেৱা আগবঢ়াইছিল।

**২৮) বিনন্দ বৰুৱা ঃ**

বিশিষ্ট শিশু সাহিত্যিক বিনন্দ বৰুৱা ডাঙৰীয়াই ১৫০ খনৰো অধিক শিশু গ্ৰন্থকে ধৰি কবিতা, নাটক, উপন্যাস, গল্প-সাহিত্য ৰচনা কৰি অসমীয়া ভাষা-সাহিত্যলৈ বিশিষ্ট অৱদান আগবঢ়াই থৈ গৈছে। তেখেতে অসম সাহিত্য সভাৰ সহকাৰী সম্পাদক হিচাপেও সেৱা আগবঢ়াইছিল।

**২৯) ফাইজনুৰ আলী ঃ**

বিশিষ্ট শিশু সাহিত্যিক ও সমাজকৰ্মী ফাইজনুৰ আলী ডাঙৰীয়াই শিশু সাহিত্যিক হিচাপে জীৱ-জগতৰ সাধুকে ধৰি বহু কেইখন উল্লেখযোগ্য শিশু গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে।

**৩০) নিৰুপমা ফুকন ঃ**

বিশিষ্ট সাহিত্যিক নিৰুপমা ফুকন ডাঙৰীয়ানীয়ে 'বুলবুল আৰু বাদশ্বাহ', 'গীত গোৱা চৰাই'কে ধৰি কেইবাখনো মূল্যৱান গ্ৰন্থ ৰচনা কৰি সাহিত্য অকাডেমী বঁটাৰে বিভূষিত হৈছিল। তদুপৰি তেখেতে হাৰিয়ানাৰ জেমিনি অকাডেমীৰ দ্বাৰা 'অসম ৰত্ন' উপাধি, ডিব্ৰুগড় লেডিজ ক্লাবৰ দ্বাৰা 'জয়মতী বঁটা'কে ধৰি বহু বঁটা আৰু সন্মানেৰে সন্মানিত হৈছিল।

**৩১) ৰেখা তাছা ঃ**

বিশিষ্ট সাহিত্যিক আৰু শিক্ষাবিদ ৰেখা তাছা ডাঙৰীয়ানীয়ে সাপ্তাহিক নীলাচল, নাগৰিক, সাপ্তাহিক জনমভূমিকে ধৰি কেইবাখনো বাতৰি কাকত-আলোচনীত গৱেষণা ধৰ্মী প্ৰবন্ধ লিখি অসমীয়া সাহিত্য জগতলৈ উল্লেখনীয় অৱদান আগবঢ়াই থৈ গৈছে। 'চাহ জনগোষ্ঠীয় লোককলা' আৰু 'সেউজী গোষ্ঠীৰ বিনন্দীয়া লহৰ' তেওঁৰ দুখন উল্লেখযোগ্য গ্ৰন্থ।

**৩২) চিত্তৰঞ্জন মুছাহাৰী ঃ**

বড়ো ভাষাৰ প্ৰথিতযশা সাহিত্যিক ও বিশিষ্ট ঔপন্যাসিক চিত্তৰঞ্জন মুছাহাৰী ডাঙৰীয়াই বড়ো ভাষা সাহিত্যৰ বিকাশ, বিস্তাৰ ও প্ৰসাৰৰ ক্ষেত্ৰত অনবদ্য অৱদান আগবঢ়াই বড়ো ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। তেখেতে 'গাৰ্লছ হোষ্টেল', 'ফুলমতী', 'সুজাতা'কে ধৰি সত্তৰখনৰো অধিক উল্লেখনীয় উপন্যাস ৰচনা কৰি থৈ গৈছে।

তদুপৰি, কৃষ্ণমোহন মাল্লা নামৰ এগৰাকী বিশিষ্ট শিক্ষাবিদ আৰু সমাজকৰ্মী, যোৱা ০৯-০১-২০১৮ চনত আমাৰ মাজৰ পৰা হেৰাই গৈছে আৰু তেখেতৰ স্মৃতিত আমি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

এতিয়া মই বৰেণ্য ব্যক্তি সকলৰ বিয়োগত দেশ তথা ৰাজ্যখনৰ জাতীয়

জীৱনত যি এক অপূৰণীয় ক্ষতি হৈছে, সেই ক্ষতি স্বীকাৰ কৰিছোঁ আৰু তেখেতসকলৰ পবিত্ৰ স্মৃতিত; তেখেত সকলৰ বিদেহী আত্মাৰ সদ্‌গতি আৰু চিৰ শান্তি কামনা কৰি এক মিনিট কাল থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য-সদস্যা সকলক অনুৰোধ জনালোঁ।

**ওঁম শান্তি।**

আমি এতিয়া সদন স্থগিত ঘোষণা কৰাৰ আগতে সন্মানীয় Business Advisory Committee ৰ সদস্য সকলক মোৰ সভাকক্ষলৈ আহিবলৈ অনুৰোধ কৰিছোঁ।

এতিয়া মই সদন অহা ইং ০৭-০২-২০১৮ তাৰিখৰ ৰাতিপুৱা ৯-৩০ বজালৈ স্থগিত ৰখা হৈছে বুলি ঘোষণা কৰিছোঁ।